**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-June-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত আজি দুহেজাৰ ৪০০ কোটি টকাৰ উদগনিমূলক ধনৰাশি মুকলি। অসমতো এই উপলক্ষে বিশেষ কাৰ্যসূচী।

২। ৩০ গৰাকীতকৈ কম শিক্ষাৰ্থী থকা সকলো বিদ্যালয় বন্ধ হ'ব বুলি ওলোৱা বাতৰি ভুৱা বুলি শিক্ষা মন্ত্ৰীৰ মন্তব্য।

৩। অহা সোমবাৰৰ পৰা শক্তিপীঠ কামাখ্যা ধামত হ'বলগীয়া অম্বুবাচী মেলাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

৪। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ বিশেষ কাৰ্যসূচীৰে অসম আগমন।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱাৰ এখন খেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে মেক্সিক'ৰ ১ - ০ গ'লত জয়লাভ।

oooooo

প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুহেজাৰ ৪০০ কোটি টকাৰ উদগনিমূলক ধনৰাশি মুকলি কৰিব। দেশৰ প্ৰায় ২০০ টা স্থানত আজি এই উপলক্ষে আঞ্চলিক পৰ্যায়ৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাই কালি গুৱাহাটীৰ আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত এখন সংবাদমেলৰ আয়োজন কৰি এই কথা প্ৰকাশ কৰে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী দামোদৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহ আৰু আই আই টি গুৱাহাটীৰ মিনি প্ৰেক্ষাগৃহত এই অনুষ্ঠান অনুষ্ঠিত হ'ব। তদুপৰি তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক কেন্দ্ৰতো বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ উদগনিমূলক ধনৰাশি প্ৰদান উপলক্ষে অনুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠানসমূহত নিয়োগকৰ্তা, কৰ্মচাৰী, ঔদ্যোগিক প্ৰতিনিধি তথা অন্যান্য অংশীদাৰসকলে অংশ ল'ব। গুৱাহাটীত আয়োজিত অনুষ্ঠানত শ্ৰমিক কল্যাণ আৰু চাহ জনজাতি তথা আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, হস্ততাঁত বস্ত্ৰ শিল্প আদি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, সাংসদ বিজুলী কলিতা মেধিকে ধৰি অনান্য ব্যক্তিসকল উপস্থিত থাকে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাই দেশত ১৫ লাখ নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত সহায় কৰিছে। কৰ্মচাৰী আৰু নিয়োগকৰ্তা দুয়োপক্ষকে আনুষ্ঠানিক অৰ্থ ব্যৱস্থাত অংশগ্ৰহণৰ প্ৰতি উৎসাহিত কৰাৰ বাবে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে। ইয়াৰ অধীনত প্ৰথমবাৰৰ বাবে নিযুক্তি লাভ কৰাসকলক ১৫ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। তদুপৰি অতিৰিক্ত নিয়োগ সৃষ্টি কৰা নিয়োগকৰ্তাসকলক প্ৰতিমাহে প্ৰতিজন অতিৰিক্ত কৰ্মচাৰীৰ বাবে ৩,০০০ টকাকৈ উদগনিমূলক ধন প্ৰদান কৰা হয়। বিগত বৰ্ষৰ ১ আগষ্টত ৰূপায়ণ কৰা এই আঁচনিৰ জৰিয়তে দুবছৰৰ ভিতৰত দেশত ৩ কোটি ৫০ লাখৰো অধিক নিয়োগ সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

oooooo

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৩০ গৰাকীতকৈ কম শিক্ষাৰ্থী থকা সকলো বিদ্যালয় বন্ধ হ'ব বুলি ওলোৱা বাতৰি ভুৱা বুলি আখ্যা দিছে। ডাঃ পেগুৱে কালি সংবাদ মাধ্যমৰ আগত কয়, যে ৩০ গৰাকীতকৈ কম শিক্ষাৰ্থী থকা

সকলো বিদ্যালয় বন্ধ হ'ব বুলি প্ৰচাৰ চলিলেও সেই কথা সত্য নহয়। তেওঁ কয়, যে বিদ্যালয়ত অধ্যয়নৰত শিক্ষাৰ্থীৰহে সমীক্ষা চলোৱা হৈছে আৰু এই সমীক্ষাৰ পৰা কোনবোৰ বিদ্যালয় বহনক্ষম সেয়া জানিব পৰা যাব। তেওঁ কয়, যে কম শিক্ষাৰ্থী থাকিলেও এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত আন বিদ্যালয় নথকা বিদ্যালয়সমূহ বন্ধ কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে। তেওঁ কয়, যে ২০০ মিটাৰৰ ভিতৰত দুই-তিনিখন বিদ্যালয় থকা বা একেটা চৌহদতে দুখন বিদ্যালয় থকা কম শিক্ষাৰ্থী থকা বিদ্যালয়সমূহ একত্ৰিকৰণ কৰা হ'ব।

(বাইট ঃ ডাঃ পেগু)

ইপিনে দিছপুৰত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰাথমিক, মাধ্যমিক, উচ্চ আৰু কাৰিকৰী শিক্ষা বিভাগৰ বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে আৰু গুৰুত্বপূৰ্ণ বিষয়সমূহকলৈ আলোচনাত মিলিত হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থকা এই পৰ্যালোচনা বৈঠকত শিক্ষক নিয়ুক্তি অভিযান, চৰকাৰী আদৰ্শ মহাবিদ্যালয়, চাহ বাগিচা আদৰ্শ বিদ্যালয়, শিক্ষা বিভাগত নতুন পদ সৃষ্টি আৰু উচ্চ শিক্ষা গ্ৰহণৰ সময়ত শিক্ষাৰ্থীয়ে বিদ্যালয় এৰা ঘটনা ৰোধৰ দৰে বিষয়সমূহক লৈ আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে শিক্ষা বিভাগৰ অধীনত চলি থকা নিযুত মইনা, নিযুত বাবু, বিনামূলীয়াকৈ স্কুটাৰ প্ৰদান, বিনামূলীয়াকৈ চাইকেল বিতৰণ, বিনামূলীয়া পাঠ্যপুথি, বিনামূলীয়া নামভৰ্তি আদি আঁচনিসমূহৰ ধাৰাবাহিকতা ৰক্ষাৰ দৰে বিষয়সমূহৰো পৰ্যালোচনা কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ১২ বছৰীয়া কাৰ্যকালৰ সুশাসনৰ বাৰ্তা লৈ বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কালি শিৱসাগৰ জিলাৰ ডিমৌত জনসম্পৰ্ক যাত্ৰা সম্পন্ন কৰে। যাত্ৰাৰ অংশ হিচাপে শ্ৰী মাৰ্ঘেৰিটাই শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ সৈতে জড়িত সমষ্টিটোৰ ছগৰাকী বিশিষ্ট ব্যক্তিক সাক্ষাৎ কৰে। তেওঁ ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ঘনকান্ত গগৈ, ডিমৌ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° বিপুল গগৈ, হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ লোহিত শইকীয়া, নৃত্যালয়ৰ অধ্যক্ষা পূবালী ঠেঙাল আৰু প্ৰাক্তন সেনা বিষয়া কৌশিক চেতিয়াৰ বাসগৃহত গৈ তেওঁলোকক ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই সাক্ষাৎকালত চৰকাৰৰ বিভিন্ন উন্নয়নমূলক পদক্ষেপ তথা প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দেশৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰে।

বাইট

০০০০০০

ৰাজ্যৰ পশুপালন খণ্ডত কৃত্ৰিম প্ৰজনন পদ্ধতিৰ আধুনিকীকৰণ, ৰাষ্ট্ৰীয় ডিজিটেল পশুধন অভিযানৰ ৰূপায়ণ আৰু সংশ্লিষ্ট কাৰ্য্য-কলাপ সন্দৰ্ভত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত আজি খানাপাৰাৰ অসম প্ৰশাসনিক পদাধিকাৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সজাগতা কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত আফ্ৰিকান ছোৱাইন ফিভাৰ, হাঁহ-কুকুৰা পালন আৰু পশুধনৰ কৃত্ৰিম প্ৰজনন সন্দৰ্ভত ৰাজ্য চৰকাৰে জাৰি কৰা তিনিটা আদৰ্শ পৰিচালনা পদ্ধতি মুকলি কৰা হ'ব। তদুপৰি অলপতে প্ৰশিক্ষণ লাভ কৰা পশুধন প্ৰজনন কৰ্মীসকলক ভাট্টা, প্ৰমাণ পত্ৰ আৰু কৃত্ৰিম প্ৰজনন সঁজুলি প্ৰদান কৰা হ'ব। অনুষ্ঠানত ৰাষ্ট্ৰীয় ডিজিটেল পশুধন অভিযানৰ অধীনত চলি থকা পশুধন পঞ্জীয়নৰ পৰ্যালোচনা আৰু অগ্ৰগতি সন্দৰ্ভত এখন তথ্য-চিত্ৰও প্ৰদৰ্শন কৰা হ'ব। অনুষ্ঠানত পশুধনৰ কৃত্ৰিম প্ৰজননৰ প্ৰসাৰ, বিভিন্ন পশুৰোগৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা, নিয়মীয়া ছিটাকৰণ, পশু স্বাস্থ্য শিবিৰৰ আয়োজন, আফ্ৰিকান ছোৱাইন ফিভাৰ প্ৰতিৰোধৰ ক্ষেত্ৰত ল'বলগীয়া সতৰ্কতামূলক ব্যৱস্থা আদিৰ ওপৰত আলোকপাত কৰা হ'ব বুলি পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সঞ্চালক ড° জয়ন্ত কুমাৰ গোস্বামীয়ে জনাইছে। এই কাৰ্য্যসূচীত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী নীলিমা দেৱী মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে

অতিৰিক্ত মুখ্য সচিব কৈলাশ চান্দ চামৰীয়া, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সচিব, সঞ্চালক আৰু বিভিন্ন জিলাৰ বিভাগীয় বিষয়াসকল উপস্থিত থাকিব।

oooooo

ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে অহা সোমবাৰৰ পৰা শক্তিপীঠ কামাখ্যা ধামত হ'বলগীয়া অম্বুবাচী মেলাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত  স্বপ্নীল পালে কালি এখন সংবাদমেলত অম্বুবাচী মেলাৰ সময়ত কামাখ্যা মন্দিৰলৈ আগমন হ'বলগীয়া হাজাৰ হাজাৰ তীৰ্থযাত্ৰীৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা কৰে। তেওঁ কয়, যে অম্বুবাচী মেলালৈ আহিবলগীয়া ভক্তসকলৰ বাবে কামাখ্যা ৰে'ল ষ্টেচন আৰু পাণ্ডু বন্দৰত দুটা শিবিৰ স্থাপন কৰা হৈছে। এই শিবিৰসমূহত ভক্তৰ বাবে থকা-খোৱা, চিকিৎসা, অনাময় আদিৰ সুব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কামাখ্যা ৰে'ল ষ্টেচন আৰু পাণ্ডু বন্দৰত স্থাপন কৰা শিবিৰৰ মাজত যাতায়াতৰ বাবে প্ৰশাসনৰ ফালৰ পৰা অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছৰ ব্যৱস্থা থাকিব বুলি জানিবলৈ দিয়ে। ইয়াৰ বিপৰীতে শিবিৰৰ পৰা মন্দিৰলৈ যোৱাৰ বাবে কোনো ধৰণৰ পৰিবহন ব্যৱস্থা নাথাকিব। ভক্তসকলৰ সুবিধাৰ্থে নাৰ্চাৰী পইণ্ট, নীলাচল পাহাৰৰ ওপৰত, মন্দিৰৰ পশ্চিম প্ৰৱেশ দ্বাৰৰ সমীপত আৰু প্ৰশান্তি ল'জৰ ওচৰত মুঠ চাৰিটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে নিয়ন্ত্ৰণ কক্ষসমূহত জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু বিভিন্ন বিভাগৰ লোকসকল থকাৰ উপৰি ৭০০-৮০০ মিটাৰৰ দূৰে দূৰে সাতটা স্থানত স্থাপন কৰা হেল্পডেস্কত তিনিজনকৈ বিষয়া থাকিব। ভক্তসকলৰ সুবিধাৰ্থে মন্দিৰৰ তলৰ পৰা ওপৰলৈ দলিচা ব্যৱস্থা থাকিব আৰু গৰমৰ প্ৰতি লক্ষ্য ৰাখি জল বোৰ্ডৰ পাইপেৰে পথৰ ওপৰত পানী ছটিওৱাৰো ব্যৱস্থা কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

গুৱাহাটী যানবাহন আৰক্ষীয়ে অম্বুবাচী মেলাৰ বাবে কেতবোৰ বিশেষ নিয়ম প্ৰৱৰ্তন কৰিছে। আৰক্ষীৰ যানবাহন শাখাৰ উপ-আয়ুক্ত জয়ন্ত সাৰথি বৰাই কালি এখন সংবাদমেলত এই বিষয়ে সদৰি কৰি এইদৰে কয়-

***(বাইট ঃ জয়ন্ত সাৰথি বৰা)***

oooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে বিশেষ ভ্ৰমণসূচীৰে কালি গুৱাহাটীত উপস্থিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক বিমান বন্দৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়া, প্ৰশাসনিক কৰ্মচাৰী তথা বিজেপিৰ কেইবাগৰাকী নেতাই আদৰণি জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড° শৰ্মাই কয়, যে অষ্টলক্ষ্মীৰ আশা-আকাংক্ষাৰ লগতে উন্নয়নৰ যাত্ৰাত সদায়ে কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীৰ সহযোগিতা লাভ কৰি অহা হৈছে। শ্ৰীমতী সীতাৰমনে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশক নতুন গতি প্ৰদানৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ লগতে শ্ৰীমতী সীতাৰমনৰ উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ ফলপ্ৰসূ হ'ব বুলি আশা প্ৰকাশ কৰে।

oooooo

## NEWS PAPER REV/RNU (19-06-2026)/MORN

আমেৰিকা আৰু ইৰানৰ মাজত শান্তি চুক্তি সম্পাদন, কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অসম আগমন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ফ্ৰান্স ভ্ৰমণ আৰু বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠা অধিকাৰ কৰিছে।

ফ্ৰান্সত ইৰান-আমেৰিকাৰ মাজত ১৪ দফিয়া শান্তি চুক্তি সম্পাদিত হোৱাৰ এটা বাতৰি **যুদ্ধৰ অৱসান, মুকলি হ'ল হৰমুজ প্ৰণালী** শিৰোনামেৰে দৈনিক অসম কাকতে প্ৰকাশ কৰিছে। একেটা বাতৰিক প্ৰায় আটাইকেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিহাৰত মানৱ সৰবৰাহকাৰীৰ কবলৰ পৰা অসমৰ ১১৫ গৰাকী যুৱক-যুৱতী উদ্ধাৰ হোৱাৰ বাতৰি অসমীয়া প্ৰতিদিন আৰু দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে নেৰানেপেৰা বৰষুণৰ বাবে জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত কপিলী জলবিদ্যুৎ প্ৰকল্পৰ তিনিখন গেট খুলি দিয়াৰ বাতৰি **খুলি দিলে কপিলী জলবিদ্যুৎ প্ৰকল্পৰ তিনিখন গে'ট ঃ নামনিত আতংক** শিৰোনামেৰে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য হ্ৰাস পালেও দেশত শীঘ্ৰেই মূল্য বৃদ্ধিৰ সম্ভাৱনা নাই বুলি উল্লেখ কৰি ভাৰতত এতিয়াই নকমে পেট্ৰ'ল-ডিজেলৰ দাম শিৰোনামেৰে এটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

গণেশ গুৰিত শিল্পী জুবিন গাৰ্গৰ ছবি মছিদিয়াৰ ঘটনাক লৈ উত্তপ্ত পৰিস্থিতি সৃষ্টি হোৱাৰ পাছত শিল্পী গৰাকীৰ ছবি নতুনকৈ অকাৰ বাতৰি দৈনিক জনমভূমি কাকতে **উৰণ সেতুৰ খুঁটাত মচি পেলোৱা জুবিনৰ ছবি পুনৰ অংকণ শিল্পীৰ** শিৰোনামেৰে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ তথ্যৰ উদ্ধৃতিৰে অসমসহ পূৰ্বোত্তৰত চলিত মাহত ৪৩ শতাংশ বৰষুণ ঘাটি হোৱা বুলি এটা বাতৰি প্ৰকাশ কৰিছে। অসমীয়া খবৰ কাকতে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অসম আগমনৰ বাতৰি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ আগমনত উৎসাহী মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছ।

দ্যা ছেণ্টিনেল কাকতে ৰাজ্যত জাপানীজ এনকেফেলাইটিছ ৰোগ প্ৰাদুৰ্ভাৱৰ এটা বাতৰি JE and AES claim 39 lives in state this Year শিৰোনামেৰে প্ৰকাশ কৰিছে।

০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱাৰ এখন খেলত মেক্সিক'ই দক্ষিণ কোৰিয়াক ১ - ০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে অনুষ্ঠিত আন এখন খেলত আজি কানাডাই কাটাৰক ৬-০ গ'লত পৰাস্ত কৰে।

ইপিনে, ছুইজাৰলেণ্ডে যোৱা নিশা অনুষ্ঠিত এখন খেলত বছনিয়া হাৰ্জেগোভিনাক ৪-১ গ'লত পৰাস্ত কৰে। যোৱা নিশা আমেৰিকাৰ আটলাণ্টা ষ্টেডিয়ামত অনুষ্ঠিত চেকিয়া আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ গ্ৰুপ-এৰ খেলখন ১-১ গ'লত ড্ৰ হয়। ইয়াৰ ফলত দুয়োটা দল নকআউট পৰ্যায়ত প্ৰৱেশ কৰাৰ আশা সজীৱ হৈ আছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

*ঃঃ সমাপ্ত ঃঃ*